# পাপুয়া নিউগিনিৰ আইটিইচিৰ পণ্ডিতসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ পাৰস্পৰিক মত বিনিময়

মে 22, 2023

22 মে 2023 তাৰিখে ভাৰত-প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জ সহযোগিতাৰ মঞ্চৰ (এফআইপিআইচি) তৃতীয় সন্মিলনৰ বাবে পোৰ্ট মৰছবি ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ প্ৰশান্ত মহাসাগৰীয় দ্বীপ দেশসমূহৰ পৰা ভাৰতীয় কাৰিকৰী আৰু অৰ্থনৈতিক সহযোগিতা (আইটিইচি) পাঠ্যক্ৰমৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে।

2. প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত থাকে আইটিইচিৰ অধীনত ভাৰতত প্ৰশিক্ষণ লাভ কৰা চৰকাৰী জ্যেষ্ঠ বিষয়া, আগশাৰীৰ পেছাদাৰী আৰু সম্প্ৰদায়ৰ নেতা। ভাৰতত লাভ কৰা দক্ষতা ব্যৱহাৰ কৰি তেওঁলোকে নিজৰ সমাজলৈ অৰিহণা যোগাইছে।

3. প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ব্যক্তিগত সফলতা আৰু কৃতিত্বৰ বাবে প্ৰশংসা কৰে। বিশেষকৈ সুশাসন, জলবায়ু পৰিৱৰ্তন, ডিজিটেল ৰাজহুৱা সামগ্ৰী আৰু বহনক্ষম উন্নয়নৰ দৰে ক্ষেত্ৰত দেশসমূহক তেওঁলোকৰ উন্নয়নমূলক লক্ষ্য পূৰণ কৰাত সহায় কৰাত ভাৰaতৰ সামৰ্থ্য বিকাশৰ পদক্ষেপে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰে। তেওঁ এনে সামৰ্থ্য বিকাশৰ প্ৰচেষ্টাৰ প্ৰতি ভাৰতৰ সমৰ্থন পুনৰবাৰ উল্লেখ কৰে।

4. 2015 চনত অনুষ্ঠিত হোৱা শেষৰখন এফআইপিআইচি শীৰ্ষ সন্মিলনৰ পিছত ভাৰতে এই অঞ্চলৰ সকলো দেশৰ প্ৰায় 1000 গৰাকী বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰে। ভাৰতে এই দেশসমূহৰ সংস্থাসমূহক দীৰ্ঘম্যাদী প্ৰতিনিধিৰ বিশেষজ্ঞও প্ৰেৰণ কৰি কৃষি আৰু আনুষংগিক ক্ষেত্ৰত সহায় কৰিছে।

**পোৰ্ট মৰছবি**

**মে 22, 2023**